NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰে আত্ম-নিৰ্ভৰ ভাৰতৰ দিশত যথেষ্ট কাম কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, নাগৰিকসকল সুস্থ হ'লেহে দেশৰ প্ৰগতি ত্বৰান্বিত হয়।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি পুৱা নতুন দিল্লীৰ পৰা পতাকা জোকাৰি একতাৰ দৌৰৰ শুভাৰম্ভ কৰে।

৪। ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়াৰ সামৰণি পৰিছে।

***আৰু***

৫। নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলে আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে ২৩৩ ৰাণৰ লক্ষ্য বান্ধি দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰে আত্ম-নিৰ্ভৰ ভাৰতৰ দিশত যথেষ্ট কাম কৰিছে আৰু মহাকাশৰ পৰা বৈদ্যুতিন বাহনলৈকে নতুন প্ৰযুক্তিসহ সকলো ক্ষেত্ৰত মেক-ইন ইণ্ডিয়া মিছনত উদগনি যোগাইছে। তেওঁ কয় যে, দেশ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰি এইদৰে প্ৰকাশ কৰে। নৱ-নিযুক্ত প্ৰাৰ্থীসকলক ভি ডি অ' কনফাৰেঞ্চিং ব্যৱস্থাৰে সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, চৰকাৰ দেশৰ যুৱ প্ৰজন্মক কৰ্ম-সংস্থাপনৰ সৰ্বাধিক সুযোগ প্ৰদান কৰিবলৈ বদ্ধপৰিকৰ। তেওঁ কয় যে, চৰকাৰে প্ৰধানমন্ত্ৰীৰ ইণ্টাৰ্ণশ্বিপ আঁচনিৰ অধীনত যুৱক-যুৱতীসকলক দেশৰ শীৰ্ষৰ ৫০০ টা কোম্পানীত জলপানিসহ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিছে। তেওঁ কয় যে, চৰকাৰে যুৱক-যুৱতীসকলক অভিজ্ঞতা আৰু সুযোগ প্ৰদানৰ দিহা কৰিছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰকাৰে সমগ্ৰ দেশৰ যুৱক-যুৱতীসকলক স্থায়ী চৰকাৰী চাকৰি প্ৰদানৰ বাবে অহৰহ কাম কৰি আছে। বিজেপি আৰু এন ডি এ শাসিত ৰাজ্যসমূহৰ হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে নিযুক্তি-পত্ৰ লাভ কৰা বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে, নৱ-গঠিত হাৰিয়াণা চৰকাৰে ২৬ হাজাৰ যুৱক-যুৱতীক চাকৰি প্ৰদান কৰিছে। আমাৰ সংবাদদাতাই জনাইছে যে, আজি দেশৰ ৪০ টা স্থানত ৰোজগাৰ মেলাৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰালয়ত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলে কৰ্মযোগী প্ৰাৰম্ভৰ মাধ্যমেৰে বুনিয়াদী প্ৰশিক্ষণ লাভ কৰিব। iGOT কৰ্মযোগী প'ৰ্টেলত এই অনলাইন মডিউল আৰু এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম উপলব্ধ। এই পাঠ্যক্ৰমসমূহে নৱ-নিযুক্ত প্ৰাৰ্থীসকলক বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত ফলপ্ৰসু সেৱা আগবঢ়াব পৰাকৈ আৱশ্যকীয় দক্ষতাৰে সু-সজ্জিত কৰি তুলিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰে স্বাস্থ্য সেৱা আন্তঃগাঁথনিৰ সুদৃঢ়কৰণৰ বিষয়ত অগ্ৰাধিকাৰ দি আহিছে, কিয়নো নাগৰিকসকল সুস্থ হ'লেহে দেশৰ প্ৰগতি ত্বৰান্বিত হয়। তেওঁ কয় যে, এই দৃষ্টিক সাৰোগত কৰিয়েই চৰকাৰে জনসাধাৰণৰ কল্যাণত অগ্ৰাধিকাৰ প্ৰদান কৰি স্বাস্থ্য নীতিৰ ৫ টা স্তম্ভ গঢ়ি তুলিছে। এই স্তম্ভকেইটাৰ ভিতৰত প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাত গুৰুত্ব আৰোপ, সময়মতে ৰোগ চিনাক্তকৰণ, বহনসাধ্য ঔষধ আৰু চিকিৎসা, ক্ষুদ্ৰ চহৰ আৰু গাঁওসমূহত উচিত স্বাস্থ্য সেৱাৰ ব্যৱস্থা আৰু স্বাস্থ্য সেৱা খণ্ডত প্ৰযুক্তিৰ সম্প্ৰসাৰণ আছে। ধনন্তৰী জয়ন্তী আৰু নৱম আয়ুৰ্বেদ দিৱস উপলক্ষে আজি নতুন দিল্লীত প্ৰায় ১২ হাজাৰ ৮৫০ কোটি টকা ব্যয়সাপেক্ষ স্বাস্থ্য খণ্ডৰ সৈতে জড়িত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰকাৰে দুখীয়া জনসাধাৰণক ভাল স্বাস্থ্য সেৱা প্ৰদানৰ উদ্দেশ্যে আয়ুষ্মান ভাৰত যোজনা প্ৰৱৰ্তন কৰিছে। এই যোজনাৰ অধীনত চৰকাৰে স্বাস্থ্য ব্যয়ৰ বাবদ দুখীয়া জনসাধাৰণলৈ ৫ লাখ টকা পৰ্য্যন্ত আগবঢ়াই আহিছে। আয়ুষ্মান যোজনাৰ সম্প্ৰসাৰণক লৈ সন্তুষ্টি প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, প্ৰতিগৰাকী বয়োজ্যেষ্ঠ ব্যক্তিয়ে এই সম্প্ৰসাৰণলৈ বাট চাই আছে আৰু এতিয়াৰে পৰা ৭০ বছৰ বা তাতকৈ ঊৰ্ধৰ লোকসকলে আয়ুষ্মান ব্যয় বন্দনা কাৰ্ডৰ জৰিয়তে বিনামূলীয়া চিকিৎসা লাভ কৰিব। চিকিৎসা ব্যয় হ্ৰাস কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশত ১৪ হাজাৰৰো অধিক প্ৰধানমন্ত্ৰী জন ঔষধি কেন্দ্ৰ মুকলি কৰা হৈছে আৰু কেন্দ্ৰবোৰত ৮০ শতাংশ ৰেহাই দৰত ঔষধ উপলব্ধ কৰোৱা হৈছে। প্ৰধানমন্ত্ৰীয়ে ৰোগৰ সৈতে জড়িত অসুবিধা আৰু বিপদৰ আশংকা হ্ৰাস কৰাৰ ক্ষেত্ৰত সময়মতে ৰোগ চিনাক্তকৰণত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, শীঘ্ৰে ৰোগ চিনাক্তকৰণ আৰু চিকিৎসা প্ৰদানৰ উদ্দেশ্যে দেশৰ বিভিন্ন প্ৰান্তত ২ লাখৰো অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে উচ্চ পৰ্য্যায়ৰ বৈজ্ঞানিক অধ্যয়নৰ জৰিয়তে পৰম্পৰাগত বনৌষধিৰ গুৰুত্ব প্ৰতিপন্ন কৰাৰ বিষয়ে উল্লেখ কৰে। আয়ুষ্মান আৰোগ্য যোজনাৰ সফলতাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ইয়াৰ জৰিয়তে অকল স্বাস্থ্যখণ্ডত পৰিৱৰ্তন সাধন হোৱাই নহয়, দেশৰ আৰ্থিক স্থিতিও উন্নত হৈছে। বিগত ১০ বছৰত আয়ুষ্মান খণ্ডত বিনিয়োগ কৰা ধনৰ পৰিমাণ ৩০০ কোটি ডলাৰৰ পৰা দুহেজাৰ ৪০০ কোটি ডলাৰলৈ বৃদ্ধি পাইছে। ভাৰতত সম্প্ৰতি ৯০০ৰো অধিক আয়ুষ ষ্টাৰ্ট-আপ কাৰ্য্যক্ষম হৈ আছে বুলি

প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত শ্ৰীমোদীয়ে প্ৰথম অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানৰ দ্বিতীয় পৰ্য্যায়ৰো শুভাৰম্ভ কৰে। ইয়াৰ ভিতৰত এখন পঞ্চকৰ্ম চিকিৎসালয়, ঔষধ প্ৰস্তুতিৰ বাবে এখন আয়ুৰ্বেদিক ফাৰ্মাচী, এটা খেল চিকিৎসা গোট, এটা কেন্দ্ৰীয় পুথিভঁৰাল, এটা তথ্য প্ৰযুক্তি আৰু ষ্টাৰ্ট-আপ ইনকিউবেচন কেন্দ্ৰ আৰু ৫০০ খন আসনযুক্ত এটা প্ৰেক্ষাগৃহ অন্যতম। তেওঁ লগতে মধ্য প্ৰদেশৰ মন্দচৌৰ, নিমছ আৰু চিৱনিৰ তিনিখন চিকিৎসা মহাবিদ্যালয় উদ্বোধন কৰে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে অসমৰ চাংসাৰি, হিমাচল প্ৰদেশৰ বিলাসপুৰ, পশ্চিমবঙ্গৰ কল্যাণী, বিহাৰৰ পাটনা, উত্তৰ প্ৰদেশৰ গোৰখপুৰ, মধ্য প্ৰদেশৰ ভূপাল আৰু নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ বিভিন্ন সেৱা আৰু সুবিধাৰ সম্প্ৰসাৰণ কাৰ্য্যও মুকলি কৰে।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ১৮৭৫ চনৰ ৩১ অক্টোবৰত জন্মগ্ৰহণ কৰা চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি পুৱা নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামৰ পৰা পতাকা জোকাৰি একতাৰ দৌৰৰ শুভাৰম্ভ কৰে। এই দৌৰত ৮ হাজাৰ দৌৰবিদে অংশ লয়। এই উপলক্ষে গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে একতাৰ দৌৰ দেশৰ একতাৰ হকে লোৱা মাত্ৰ এটা সংকল্পই নহয়, বৰং এই দৌৰ সম্প্ৰতি বিকশিত ভাৰতৰ সংকল্পৰূপে পৰিগণিত হৈছে। চৰ্দাৰ বল্লভ ভাই পেটেলৰ অৱদানৰ কথা স্মৰণ কৰি শ্ৰী শ্বাহে কয় যে পেটেলে দেশীয় ৰাজ্যসমূহক একত্ৰিত কৰি এখন ঐক্যবদ্ধ দেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়া, মনোহৰ লাল, নিত্যানন্দ ৰায় আৰু দিল্লীৰ উপ-ৰাজ্যপাল ভি কে চাক্সেনা একতাৰ দৌৰৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে।

ooooooooo

ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়াৰ সামৰণি পৰিছে। এই পৰ্যায়ত ২০ নৱেম্বৰত ৰাজ্যখনৰ ৩৮ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। বৰ্তমানলৈকে ৬৩২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। কাইলৈ মনোনয়ন সমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে পহিলা নৱেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰসমূহ প্ৰত্যাহাৰ কৰিব পাৰিব।

ইপিনে, ৰাজ্যখনৰ প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ পৰীক্ষাৰ পাছত ৬২ খন মনোনয়ন নাকচ হয়। মনোনয়ন পত্ৰ পৰীক্ষাৰ পাছত প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনত ৭৪৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। ৰাজ্যখনৰ প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনত ১৩ নবেম্বৰত ৪৩ টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ooooooooo

আজি ৰাষ্ট্ৰপতি ভৱনত শিল্পীসকলৰ এটা দলে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। যোৱা কেইবাদিনো ধৰি ৰাষ্ট্ৰপতি ভৱনত বাহৰ পাতি থকা শিল্পীসকলে আগবঢ়োৱা শিল্পকৰ্মৰ প্ৰদৰ্শনী এখন ৰাষ্ট্ৰপতিগৰাকীয়ে পৰিদৰ্শন কৰে। শিল্পীসকলৰ শিল্পকৰ্মৰ প্ৰশংসা কৰি তেওঁ কয় যে, এই শিল্পকৰ্মসমূহে মানৱ আৰু প্ৰকৃতিৰ মাজৰ চিৰন্তন সম্পৰ্ক প্ৰতিফলিত কৰিছে। তেওঁ লগতে সকলোকে শিল্পীসকলক উৎসাহ প্ৰদানৰ বাবে তেওঁলোকৰ শিল্পকৰ্মসমূহ ক্ৰয় কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, এই শিল্পীসকলে **সৃজন-২০২৪**ৰ আৰ্ট ইন ৰেচিডেন্সি শীৰ্ষক এক পদক্ষেপৰ অন্তৰ্ভুক্ত হৈ এইমাহৰ ২১ তাৰিখৰ পৰা ৰাষ্ট্ৰপতি ভৱনত বাস কৰি

আছে। এই সময়ছোৱাত প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰি তেওঁলোকে বহু চিত্ৰ কৰ্মৰ সৃষ্টি কৰিছে য'ত জনগোষ্ঠীয়, চৌৰা, গোন্দ, ৱৰ্লি, আইপান আৰু চোহৰায় - এইসমূহ শিল্প কৰ্মৰ প্ৰতিফলন ঘটিছে।

০০০০০০০০০

নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলে আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে ২৩৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰি ৪৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ব্ৰুক হেলিডেই ৮৬ ৰাণ আৰু জৰ্জিয়া প্লিমাৰে ৩৯ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ দীপ্তি শৰ্মাই তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ১৭ অভাৰত এটা উইকেট হেৰুৱাই ৭২ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

দুয়োটা দলে ইতিমধ্যে শৃংখলাত একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতীয় দলটো শৃংখলাৰ প্ৰথমখন খেলত জয়ী হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটোৱে বিজয় সাব্যস্ত কৰিছিল।

০০০০০০০০০

সমাপ্ত